# 2016

# ASSAMESE

## ( Major )

### Paper : 5.1

*Full Marks* : 60

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

১। চমু উত্তৰ দিয়া : ১×৭=৭

(ক) ‘ললিতা’ লোকনাট্যানুষ্ঠানটো ভাৰতবৰ্ষৰ কোন প্ৰদেশত প্ৰচলিত ?

(খ) ‘চপয়’ কি ?

(গ) ‘শ্ৰীৰামৰায়া ভকতি সুজান—’ ৰামৰায় কোন ?

(ঘ) শংকৰদেৱৰ নিঃসন্দেহে শ্ৰেষ্ঠ নাট কোনখন ?

(ঙ) “হা হা সখি তোহাক কি কম্পাল মিলল। বিধি বাম ভেল।” কথাষাৰৰ বক্তা কোন ?

(চ) ‘অসমৰ লোকনাট্য’ গ্ৰন্থখন কাৰ ৰচনা ?

(ছ) ‘উদ্ধৱযান’ নাটৰ আন এটা নাম কি ?

২। *এটা* বা *দুটা* বাক্যত উত্তৰ দিয়া : ২×৪=৮

(ক) অসমৰ বৈষ্ণৱ সত্ৰ সমাজত প্ৰচলিত 'বাৰনাট' কি?

(খ) মহাপুৰুষ মাধৱদেৱৰ 'অৰ্জুন ভঞ্জন নাট'ৰ মূল কাৰ্য আৰু কাৰণ কি কি?

(গ) "হে জগতক পিতামহ তোহাক দৰশন দেৱৰ দুৰ্লভ। হামো মানুষ হুয়া তোহাক দৰশন ভেলু। হামাক ভাগ্যক মহিমা কি কহব।" কথাষাৰ কোনে, কাক উদ্দেশ্যি কৈছিল?

(ঘ) 'কম্বুকণ্ঠ' আৰু 'ৰজকেৰি' শব্দ দুটাৰ অৰ্থ লিখা।

৩। প্ৰসঙ্গ-সঙ্গতি দৰ্শাই ব্যাখ্যা কৰা (যি কোনো তিনিছোৱা) : ৫×৩=১৫

(ক)
হাতে শৰধনু ধৰি সব ধাৱে।
কম্পিত মেদিনী এ পদ যাৱে॥
বাহু দৰ্পিয়ে কৰয় টঙ্কাৰ।
বোলয় ডাকি ডাকি অহংকাৰ॥

(খ) হে স্বামি কৃষ্ণ হামো তোহাৰি কিঙ্কৰ ঃ তোহো আপোন সৰ্ব্বজ্ঞ, সৰ্ব্ব অন্তৰ্য্যামীসকলে জগতক বাহিৰে ভিতৰে থিক। তোহাত কোনে আঁৰ কৰিতে পাৰয়?

(গ) আজু আৰ্দাসক সময় নাহি হয় হামাকু বাধা কৰিতে আৱল? অব যে বোলল তাহেক হামু সহলো, আৰ যব বোলহ তব হামাকু বাত বুজব।

(ঘ) মুকুট কুণ্ডল  কেয়ুৰ কঙ্কণ
গলে গজমতি জলে।
কঙ্কণ কিঙ্কিণি  বাজে ৰিণি ৰিণি
নেপুৰ পদকমলে॥

(ঙ) সুন্দৰী বিজয়কু আগু বিনাৱে
হামাৰি জীৱন ধন কৈচন চলবি বন
তোহাৰি বিৰহে তনুতাৱে॥

৪। তলৰ প্ৰশ্নসমূহৰ উত্তৰ লিখা : ১০×৩=৩০

(ক) "অংকীয়া নাটত নাটকৰ বাহ্যৰূপ আছে, কিন্তু প্ৰকৃত নাটকীয় প্ৰাণ-স্পন্দন নাই।" এই উক্তিৰ আধাৰত অংকীয়া নাটৰ কলাকৌশল সম্পৰ্কে আলোচনা কৰি অঙ্কীয়া নাটৰ দোষ-ত্ৰুটী বিচাৰ কৰা।

*অথবা*

কালিৰাম মেধিৰ মতে "সংস্কৃত নাটৰ সন্ধি পঞ্চক অঙ্কীয়া নাটতো বিদ্যমান"। সন্ধি পঞ্চক কি? মাধৱদেৱৰ 'অৰ্জুন ভঞ্জন নাট'ত নাটকীয় পঞ্চসন্ধি দেখুৱাব পৰা যায়নে, ফঁহিয়াই আলোচনা কৰা।

(খ) শ্ৰীৰাম আতাৰ পৰিচয় দাঙি ধৰি 'সুভদ্ৰাহৰণ নাট'ৰ গীতসমূহৰ আকৰ্ষণীয়তা যথাসম্ভৱ উদাহৰণেৰে আলোচনা কৰা।

*অথবা*

'জন্মযাত্ৰা' নাটক আগত ৰাখি গোপাল আতাৰ গদ্যৰীতি সম্পৰ্কত এটি প্ৰবন্ধ যুগুতোৱা।

(গ) 'অৰ্জুন ভঞ্জন নাট'ৰ মূল আৰু নাট্যকাৰৰ মৌলিকতা সম্পৰ্কে বিতং আলোচনা আগবঢ়োৱা।

*অথবা*

'ৰুক্মিণীহৰণ' নাটত শ্ৰীকৃষ্ণ আৰু ৰুক্মিণীৰ পূৰ্বৰাগ, বিৰহ, মিলন, মিলনভঙ্গৰ আশংকা আৰু পুনৰ মিলন— কেনেদৰে প্ৰকাশিত হৈছে, আলোচনা কৰা।

★★★